Printed Pages—4

**3 (Sem-4) ASM MIL**

Bijni College Library
P.O. Bijni, Dist. Chirang
(B.T.A.D) Assam

**2 0 1 5**

# ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখা : ১×১০=১০

(ক) প্ৰথম অসমীয়া চুটিগল্পটো কোনখন কাকতত প্ৰকাশিত হৈছিল ?

(খ) ‘কেহোঁকলি’ কাৰ গল্প সংকলন ?

(গ) ‘আৱাহন’ আলোচনীৰ জৰিয়তে অসমীয়া চুটিগল্পৰ ইতিহাসৰ কি নামৰ যুগৰ আৰম্ভণি হয় ?

(ঘ) যুদ্ধোত্তৰ যুগৰ অসমীয়া গল্পকাৰ এগৰাকীৰ নাম লিখা।

(ঙ) ‘ভাগ-বাটোৱাৱা’ গল্পত ‘ডব্‌লিউ বনফিল্ড এণ্ড কোং’ নামৰ কোম্পানীটোৱে কোনখন দেশৰ হাবি থকা ঠাই ম্যাদি পট্টা কৰি লোৱাৰ উল্লেখ আছে?

(চ) 'ডাক্তৰ' গল্পটিত বিভূতি হাজৰিকাই পুৱাতে কাৰ মৃত্যুৰ খবৰ পাইছে?

(ছ) ৰ'জা মাৰ্গাৰেট ফিল্ডৰ সৈতে কোন কোন মাজুলীলৈ গৈছিল?

(জ) অসমীয়া সাহিত্যত উপন্যাস সম্ৰাট বুলি কাক কোৱা হয়?

(ঝ) 'নিৰ্মল ভকত' উপন্যাসখনত টেনিছনৰ কোনখন উপন্যাসৰ প্ৰভাৱ দেখা যায়?

(ঞ) 'নিৰ্মল ভকত' উপন্যাসখন কিমান চনত প্ৰকাশিত হৈছিল?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) 'ধোঁৱা-খোৱা' গল্পত থকা মাহিন্দ্ৰী আৰু বাতীয়াৰ পৰিচয় দিয়া।

(খ) "তুমি কি নিবা কোৱা? মোক লাগে নে এই সম্পত্তি লাগে?" কথাষাৰ কোনে, কাক উদ্দেশ্য কৰি কৈছিল?

(গ) 'ডাক্তৰ' গল্পত থকা যি কোনো দুজন ডাক্তৰৰ নাম সম্পূৰ্ণকৈ লিখা।

(ঘ) মিছেছ্ ফিল্ডে কাব ল'ৰাবোৰক ইংৰাজী শিকাইছিল? তেওঁ গাঁৱে গাঁৱে গৈ কি সংগ্ৰহ কৰিছিল?

(ঙ) 'নিৰ্মল ভকত' উপন্যাসখনত উল্লেখ কৰা যি কোনো দুজন ঐতিহাসিক ব্যক্তিৰ নাম লিখা।

৩। চমু উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) চুটিগল্প বুলিলে কি বুজা? সাধুকথাৰ লগত ই কি কি ক্ষেত্ৰত নিমিলে?

(খ) 'ধোঁৱা-খোৱা' গল্পত গল্পকাৰৰ বক্তব্য-বিষয় কি?

(গ) হেমন্ত কিয় গোপনে বিদেশলৈ গুচি গৈছিল, বুজাই লিখা।

(ঘ) 'ডাক্তৰ' গল্পত ডাক্তৰ চলিহাক কেনেধৰণৰ ব্যক্তিৰূপে দেখুওৱা হৈছে?

(ঙ) 'অৱগাহন' শব্দৰ অৰ্থ কি? 'অৱগাহন' গল্পটিত এই অৰ্থ কিদৰে প্ৰকাশ পাইছে?

(চ) 'নিৰ্মল ভকত' উপন্যাসখনৰ পটভূমিৰ গুৰুত্ব ব্যাখ্যা কৰা।

৪। (ক) 'ধোঁৱা-খোৱা' গল্পটিক লক্ষ্মীনাথ বেজবৰুৱাৰ এটা প্ৰতিনিধিত্বমূলক গল্প হিচাপে দাঙি ধৰা। ১০

*অথবা*

'ভাগ-বাটোৱাৰা' গল্পত সমসাময়িক সমাজখন কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(খ) 'ডাক্তৰ' গল্পত গল্পকাৰৰ কেনেধৰণৰ জীৱন দৰ্শন প্ৰকাশ পাইছে, বিচাৰ কৰা। ১০

*অথবা*

'অৱগাহন' গল্পৰ ৰ'জা মাৰ্গাৰেট ফিল্ডৰ চৰিত্ৰ বিশ্লেষণ কৰা।

(গ) ৰজনীকান্ত বৰদলৈৰ ঔপন্যাসৰ বিশেষত্ব সম্পৰ্কে এটি নিবন্ধ প্ৰস্তুত কৰা। ১০

*অথবা*

'নিৰ্মল ভকত' উপন্যাসত ৰূপহীৰ জীৱন-কাহিনীক ঔপন্যাসিকে কেনেদৰে আগবঢ়াই নিছে, দেখুওৱা।

৫। ৰচনা লিখা (যি কোনো এখন) : ১০

(ক) অসমৰ প্ৰধান সমস্যাসমূহ

(খ) ছাত্ৰ-শিক্ষক-অভিভাৱকৰ সম্পৰ্ক

(গ) ফেচবুক আৰু তাৰ প্ৰভাৱ

(ঘ) অসমীয়া চিনেমাৰ সত্তৰ বছৰ

★ ★ ★